Test Booklet No.
परीक्षा पुस्तिका संख्या

This Booklet contains **20** printed pages.
इस पुस्तिका में **20** मुद्रित पृष्ठ हैं ।

# MAK-23-I

**PAPER I / प्रश्न-पत्र I**
**PART IV & V / भाग IV & V**
**Assamese Language Supplement**
**असमी भाषा परिशिष्ट**

**Test Booklet Code**
**परीक्षा पुस्तिका कोड**

# C

**Do not open this Test Booklet until you are asked to do so.**
**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए ।**
**Read carefully the Instructions on the Back Cover (Page 19 & 20) of this Test Booklet.**
**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20) पर दिए गए निर्देशों को ध्यान से पढ़ें ।**

**For instructions in Assamese see Page 2 of this booklet. / असमी में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें ।**

## *INSTRUCTIONS FOR CANDIDATES*

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Language II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Parts I, II, III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Blue/Black Ball Point Pen only** for writing particulars on this page/marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **C**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V consisting of **60** Objective Type Questions, and each carries 1 mark :
   Part IV : Language I – (Assamese) *(Q. Nos. 91 – 120)*
   Part V : Language II – (Assamese) *(Q. Nos. 121 – 150)*
7. Part IV contains 30 questions for Language I and Part V contains 30 questions for Language II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language(s) you have opted for as Language I and/or Language II is a language other than Assamese, please ask for a Supplement (Language) Test Booklet of C Code that contains questions on that language. The languages being answered must tally with the languages opted for in your Application Form. No change in languages is allowed.**
8. **Candidates are required to attempt questions in Language II (Part V) in a language other than the one chosen as Language I (Part IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

## *परीक्षार्थियों के लिए निर्देश*

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो **या** तो भाग IV (भाषा I) **या** भाग V (भाषा II) **असमी** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं** ।
2. परीक्षार्थी भाग I, II, III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से ।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं । भाषा परिशिष्टों को आप अलग से माँग सकते हैं ।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर पत्र पर निशान लगाने के लिए **केवल नीले/काले बॉल पॉइंट पेन** का प्रयोग करें ।
5. इस भाषा पुस्तिका का **कोड C** है । यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का कोड, उत्तर पत्र के **पृष्ठ-2** एवं मुख्य प्रश्न पुस्तिका पर छपे कोड से मिलता है । अगर यह भिन्न हो तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं, तथा प्रत्येक 1 अंक का है :
   भाग IV : भाषा I – (असमी) *(प्रश्न सं. 91 – 120)*
   भाग V : भाषा II – (असमी) *(प्रश्न सं. 121 – 150)*
7. भाग IV में भाषा I के लिए 30 प्रश्न और भाग V में भाषा II के लिए 30 प्रश्न दिए गए हैं । इस परीक्षा पुस्तिका में केवल असमी भाषा से सम्बन्धित प्रश्न दिए गए हैं । **यदि भाषा I और/या भाषा II में आपके द्वारा चुनी गई भाषा(एँ) असमी के अलावा है/हैं, तो कृपया C कोड वाली उस भाषा वाली परिशिष्ट (भाषा) परीक्षा पुस्तिका माँग लीजिए । जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए । भाषाओं का परिवर्तन अनुमन्य नहीं है ।**
8. **परीक्षार्थी भाषा II (भाग V) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा I (भाग IV) में चुनी गई भाषा से भिन्न हो ।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें ।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें । अपने उत्तर ध्यानपूर्वक अंकित करें । उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है ।

Name of the Candidate (in Capital Letters) : ____________________
परीक्षार्थी का नाम (बड़े अक्षरों में) :

Roll Number (अनुक्रमांक) : in figures (अंकों में) ____________________
: in words (शब्दों में) ____________________

Centre of Examination (in Capital Letters) : ____________________
परीक्षा केन्द्र (बड़े अक्षरों में) :

Candidate's Signature : ____________________ Invigilator's Signature : ____________________
परीक्षार्थी के हस्ताक्षर : निरीक्षक के हस्ताक्षर :

Facsimile signature stamp of Centre Superintendent ____________________

এই পৰীক্ষা বহীত **20**টা মুদ্ৰিত পৃষ্ঠা আছে ।

# MAK-23-I

**পৰীক্ষা বহীখন কোড**

**C**

# কাকত I

# খণ্ড IV & V

# অসমীয়া ভাষা পৰিশিষ্ট

**এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা ।**

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাটিত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া ।**

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা :***

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেইসকল পৰীক্ষাৰ্থীক দিয়া হৈছে যিয়ে **অসমীয়া** ভাষাৰ খণ্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে । কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব ।
2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষা বহীৰ পৰা I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব ।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ সৈতে দিয়া হৈছে । ভাষা সহায়ক-সমূহ আচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব ।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **কেৱল নীলা/ক'লা বল পৈন** ব্যৱহাৰ কৰিবা ।
5. এইখন ভাষা বহীৰ **কোড** হ'ল **C**. এইটো নিশ্চিত কৰা যে উত্তৰ বহীৰ **দ্বিতীয় পিঠি,** মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে । পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই ল'ব ।
6. এই পৰীক্ষণ বহীৰ **দুটা** খণ্ড – চতুৰ্থ আৰু পঞ্চম ইয়াত **60**টা চমু ধৰণৰ প্ৰশ্ন আছে । প্ৰত্যেক প্ৰশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :
   খণ্ড IV : ভাষা I (অসমীয়া) (প্ৰশ্ন 91 ৰ পৰা প্ৰশ্ন 120 লৈ)
   খণ্ড V : ভাষা II (অসমীয়া) (প্ৰশ্ন 121 ৰ পৰা প্ৰশ্ন 150 লৈ)
7. খণ্ড IV ত ভাষা I ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড V ত ভাষা II ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে । এই পৰীক্ষণ বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে । **ভাষাৰ ক্ষেত্ৰত যদি ভাষা I অথবা ভাষা II অসমীয়াৰ বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহলে C কোডৰ সেই ভাষাটোৰ প্ৰশ্ন থকা পৰিশিষ্ট (ভাষা) পৰীক্ষণ বহী খুজি ল'বা । তোমাৰ প্ৰ-পত্ৰত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা । ভাষাৰ পৰিবৰ্তন অনুমতিযোগ্য নহয় ।**
8. **পৰীক্ষাৰ্থীয়ে ভাষা II ৰ (খণ্ড V) প্ৰশ্নবোৰৰ উত্তৰ ভাষা I (খণ্ড IV) ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব ।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব ।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ কাকতততহে লিপিবদ্ধ কৰিব লাগিব । তোমাৰ উত্তৰবোৰ সযত্নে কৰা । উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা ।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) ____________________

ৰোল নম্বৰ : সংখ্যাৰে ____________________

: আখৰেৰে ____________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) ____________________

প্ৰাৰ্থীৰ চহী ____________________ নিৰীক্ষকৰ চহী ____________________

Facsimile signature stamp of
Centre Superintendent ____________________

পৰীক্ষাৰ্থীয়ে যদি **ভাষা – I** ৰ বিকল্প **অসমীয়া** লৈছে, তেতিয়াহে নিম্নলিখিত ভাগৰ প্ৰশ্নবোৰৰ উত্তৰ কৰিব ।

# ভাগ IV

## ভাষা I

## অসমীয়া

***নির্দেশ :*** *তলত দিয়া গদ্যাংশ পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং 91 ৰ পৰা 99 লৈ) আটাইতকৈ উপযুক্ত বিকল্পটো নিৰ্বাচন কৰি উত্তৰ কৰাঁ ।*

**১৭৩৬** খ্ৰীষ্টাব্দত ব্ৰেঞ্জামিন ফ্ৰেংক্লিনে পে'ন্‌ছিল্‌ভেনিয়াৰ বিধান সভাৰ সচিবৰ পদ লাভ কৰিলে । বিধান সভাৰ সচিব পদত নিযুক্তি মাত্ৰ এবছৰৰ কাৰণে দিয়া হয় । অৰ্থাৎ প্ৰত্যেক বছৰেই সচিব পদৰ নিযুক্তিৰ কাৰণে নতুন নতুন প্ৰস্তাৰ বিবেচনা কৰা হয় । ব্ৰেঞ্জামিন ফ্ৰেংক্লিনে প্ৰথমবাৰ সচিবৰ পদত নিযুক্তি পাওঁতে তেওঁ বিনা প্ৰতিদ্বন্দ্বিতাই সেই পদলৈ নিৰ্বাচিত হৈছিল । কিন্তু দ্বিতীয়বাৰ তেওঁৰ নাম প্ৰস্তাৱ হ'লত বিধান সভাৰ এজন নতুন সদস্যই সেই প্ৰস্তাৱৰ বিৰোধিতা কৰিলে । কিন্তু তেওঁৰ বিৰোধিতা সত্ত্বেও ব্ৰেঞ্জামিন পুনৰ সচিব পদত নিযুক্ত হ'ল । দ্বিতীয়বাৰ নিযুক্তি পালেও সদস্যজনৰ বিৰোধিতাৰ কথাটো বেঞ্জামিন সহজভাৱে ল'ব নোৱাৰিলে । তেওঁ অনুভৱ কৰিলে যে, কিবা প্ৰকাৰে যদি সদস্যজনৰ অন্তৰ জয় কৰিব পৰা নাযায়, তেন্তে ভৱিষ্যতেও সদস্যজনে ব্ৰেঞ্জামিনৰ কাৰণে নানা অসুবিধাৰ সৃষ্টি কৰি থাকিব । কিন্তু সদস্যজনক তোষামোদ কৰি বা ভেটি দি তেওঁৰ প্ৰীতি অৰ্জন কৰিবলৈ ব্ৰেঞ্জামিনৰ অকণো ইচ্ছা নাছিল । ব্ৰেঞ্জামিনে তেওঁৰ স্বভাৱৰ বৈশিষ্ট্য অনুযায়ী সদস্যজনৰ অন্তৰ গলাবলৈ এটা অভিনৱ পন্থা ল'লে । তেওঁ জানিব পাৰিছিল যে উক্ত সদস্যজন এজন উচ্চ শিক্ষিত আৰু অধ্যয়নশীল মানুহ আছিল । ভালকৈ খবৰ লৈ ব্ৰেঞ্জামিনে এই কথাও জানিব পাৰিলে যে সদস্যজনৰ পুথি-ভঁৰালত এখন অতি মূল্যবান আৰু দুষ্প্ৰাপ্য কিতাপ আছে । কিতাপখন ধাৰলৈ বিচাৰি ব্ৰেঞ্জামিনে তেওঁলৈ অতি নম্ৰভাৱে এখন চিঠি লিখিলে । চিঠিখন পঢ়ি সদস্যজন অতি মুগ্ধ হ'ল আৰু ব্ৰেঞ্জামিনে বিচৰা কিতাপখন তেওঁ তৎক্ষণাত ব্ৰেঞ্জামিনলৈ পঠাই দিলে । ইয়াৰ পিছৰ পৰাই সদস্যজনে ব্ৰেঞ্জামিনৰ প্ৰতি শ্ৰদ্ধাপূৰ্ণ আচৰণ কৰিবলৈ আৰম্ভ কৰিলে আৰু দুয়োৰে মাজত গভীৰ বন্ধুত্ব স্থাপিত হ'ল । এই ঘটনাটোৱে প্ৰমাণ কৰে যে ব্ৰেঞ্জামিনে একেটা দলিৰে দুটা চৰাই মৰাৰ কৌশল খুব ভালকৈ আয়ত্ত কৰিছিল । সদস্যজনৰ দয়া-দৃষ্টি পাবৰ কাৰণে তেওঁ যদি তোষামোদৰ আশ্ৰয় ল'লেহেঁতেন, তেন্তে তেওঁ কেতিয়াও সদস্যজনৰ শ্ৰদ্ধা অৰ্জন কৰিব নোৱাৰিলেহেঁতেন । কিন্তু ব্ৰেঞ্জামিনে যি কৌশল অৱলম্বন কৰিলে তাৰ ফলত এহাতে এখন মূল্যবান আৰু দুষ্প্ৰাপ্য কিতাপ পঢ়ি তেওঁ নিজৰ জ্ঞানৰ পৰিধি বহলাবলৈ সমৰ্থ হ'ল, আনহাতে তেওঁ এজন শিক্ষিত আৰু প্ৰভাৱশালী মানুহৰ বন্দুত্ব অৰ্জন কৰিব পাৰিলে ।

**91.** "...ব্ৰেঞ্জামিনে তেঁওলৈ <u>অতি নম্ৰভাৱে</u> এখন চিঠি লিখিলে ।"

উদ্ধৃত বাক্যটোৰ ৰেখাংকিত অংশ হৈছে —

(1) বিশেষনীয় বিশেষণ

(2) উপসৰ্গ

(3) ক্ৰিয়া

(4) সৰ্বনাম

**92.** ব্ৰেঞ্জামিনৰ বিৰোধিতা কৰা বিধান সভাৰ সদস্যজনৰ সৈতে আন্তৰিক তথা সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক স্থাপন কৰিবলৈ তেঁও কি কৰিছিল ?

(1) বিধান সভাৰ পুথিভঁৰালৰ পৰা এখন কিতাপ বিচাৰি চিঠি লিখিছিল

(2) নিজৰ পঠন অভ্যাসৰ কথা জনাই এখন চিঠি লিখিছিল

(3) বিনয়েৰে তোষামোদ কৰিছিল

(4) সদস্যজনৰ ব্যক্তিগত সংগ্ৰহৰ পৰা এখন গ্ৰন্থ বিচাৰিছিল

**93.** ব্ৰেঞ্জামিনে একেটা দলিৰে দুটা চৰাই মৰা বুলি কোৱাৰ দ্বাৰা কোন দুটা কাৰ্য নিৰ্দেশ কৰা হৈছে ?

(1) দুষ্প্ৰাপ্য কিতাপ এখন নিজৰ সংগ্ৰহলৈ অনা আৰু বিৰোধী সদস্যজনৰ সৈতে বন্ধুত্ব স্থাপন

(2) বিৰোধী সকলৰ সমৰ্থন আদায় আৰু নিজৰ পঠন অভ্যাসৰ পৰোক্ষ প্ৰদৰ্শন

(3) জ্ঞানাৰ্জন আৰু বিৰোধীৰ বন্ধুৰ অৰ্জন

(4) বিধান সভাৰ সচিব পদ লাভ আৰু বিৰোধী সদস্যজনৰ সৈতেও বন্ধুত্ব স্থাপন

**94.** ব্ৰেঞ্জামিন ফেংক্লিনৰ বিৰোধীতা কৰা সদস্যজন আছিল —

(1) এজন ক্ষমতাৱান, প্ৰাজ্ঞ মানুহ

(2) বিধান সভাৰ এজন পুৰনি সদস্য

(3) উচ্চশিক্ষিত, কিন্তু অধ্যয়নৰ গভীৰতা নথকা এজন লোক

(4) বিধান সভাৰ নতুন সচিব

**95.** গদ্যাংশটোৰ প্ৰসংগত 'ভেটি' শব্দটোৰ সমাৰ্থসূচক শব্দ এটা হৈছে —

(1) আধাৰ ৰা মূল

(2) উপঢৌকন

(3) মাৰ্টি

(4) ভাৰ

**96.** ব্ৰেঞ্জামিন ফেংক্লিন ক'ৰ বিধান সভাৰ সচিব আছিল ?

(1) স্কটলেণ্ডৰ

(2) যু.এচ.এ.-ৰ

(3) যু.এ.ই.-ৰ

(4) ইংলেণ্ডৰ

**97.** গদ্যাংশটোৰত ব্যৱহৃত 'লাহে-লাহে', 'নতুন-নতুন' আদি হৈছে ________ ৰ উদাহৰণ ।

(1) পুনৰুক্ত বদভ্যাস

(2) পৰসৰ্গ

(3) যুৰীয়া শব্দ

(4) পুনৰুক্তি

**98.** ব্ৰেঞ্জামিন ফেংক্লিন কেইবাৰ বিধান সভাৰ সচিব পদত অধিষ্ঠিত হোৱাৰ উল্লেখ কৰা হৈছে ?

(1) দুবাৰ

(2) কেইবাবাৰো

(3) তেঁও সচিব নহয়, বৰঞ্চ সন্মানীয় সদস্য পদতহে অধিষ্ঠিত আছিল

(4) এবাৰ

**99.** বিধান সভাৰ সদস্য এজনে তেঁওৰ বিৰোধিতা কৰাটো ব্ৰেঞ্জামিনে কিয় সহজভাৱে লোৱা নাছিল । কাৰণ,

(1) তেঁও সকলোৰে প্ৰিয়ভাজন আৰু শ্ৰদ্ধাৰ পাত্ৰ হৈ থাকিব বিচাৰিছিল ।

(2) সদস্যজনে ভৱিষ্যতে কিবা অসুবিধাৰ সৃষ্টি কৰিব পাৰে বুলি তেঁও ভাবিছিল ।

(3) সদস্যজন অধ্যয়শীল আৰু প্ৰভাৱশালী ব্যক্তি আছিল ।

(4) সেয়া তেঁওৰ স্বভাৱ বিৰুদ্ধ আছিল ।

*নির্দেশ : তলৰ পদ্যাংশ পঢ়ি তাৰ তলত দিয়া প্রশ্নসমূহৰ (প্রশ্ন নং 100ৰ পৰা 105লৈ) আটাইতকৈ উপযুক্ত উত্তৰটো নির্বাচন কৰাঁ ।*

সৌ যে দেখিছা দূৰ দূৰণিৰ
মৰুৰ দাঁতিত এখনি পাম,
সেউজীয়া পছ লতাই বেৰিছে
সেয়ে মোৰ চিৰ পৱিত্ৰ ধাম ।
ৰজা প্ৰজা তাত সকলো সমান
নাই বাদ্‌চাৰ গজনী পুৰ,
তাতে বহি আমি আকাশ তলত
নীল অসীমত মিলাম সুৰ ।
সেই নিৰলাত থাকিম নিজানে
কাষত তোমাৰ মধুৰ গান,
ৰুটি এটুকুৰা সুৰাৰ পিয়লা
কবিতা কুঁৱৰী আকুল প্ৰাণ ।
সি সুৰ পুৰীৰ এয়েই সপোন
এয়ে হৃদয়ৰ বাসনা মোৰ,
মৰুৰ মাজত নামিব সৰগ
— জীৱন যাতনা পৰিব ওৰ ।

100. মৰুৰ দাঁতিত থকা পামখন কেনেকুৱা ?

(1) সেউজীয়া গছ-লতাৰে বেৰা
(2) মৰুভূমিৰ উষ্মতাৰে ভৰা
(3) নীল-সেউজীয়া
(4) শুকান আৰু বালিময়

101. "ৰজা প্ৰজা তাত সকলো সমান
নাই বাদ্‌চাৰ গজনী পুৰ"
— উদ্ধৃত পংক্তিটোৰ ৰেখাংকিত শব্দটোৰ অৰ্থ হৈছে ।

(1) প্ৰজা
(2) হস্তী
(3) মৰুদ্যান
(4) ৰজা

102. কবিয়ে থাকিব খোজা নিৰলাত কবিৰ কাষত কিছুমান বস্তু থকাৰ কল্পনা কৰিছে । তলত দিয়া কোনটোৰ কথা কবিয়ে কল্পনা কৰা নাই ?

(1) এটুকুৰা ৰুটি
(2) প্ৰিয়তমাৰ সমধুৰ গান
(3) বিলাসী খাদ্যসম্ভাৰ
(4) মদিৰাৰ পিয়লা

103. উদ্ধৃত পদ্যাংশৰ আদিৰ পৰা অন্তলৈকে ________ ৰ প্ৰয়োগ স্পষ্ট ।

(1) উপমা
(2) প্ৰতীক
(3) চিত্ৰকল্প
(4) অনুপ্ৰাস

104. পদ্যাংশটিত উল্লেখ থকা 'পাম'খন ক'ত আছিল ?

(1) মৰুভূমিৰ মাজত
(2) কবিৰ কল্পনাত
(3) 'বাদ্‌চাৰ গজনী পুৰ'ত
(4) মৰুভূমিৰ কাষত

105. 'সি সুৰ পুৰীৰ এয়েই সপোন
এয়ে হৃদয়ৰ বাসনা মোৰ ।"
— উদ্ধৃত পংক্তিটোৰ ৰেখাংকিত শব্দটোৰ অৰ্থ হৈছে ।

(1) মৰুৰ মাজৰ মৰীচিকা
(2) মৰুদ্যান
(3) দেৱলোক
(4) সুৰাৰ পিয়না য'ত থাকে, তেনে স্থান

***নিৰ্দেশ : প্ৰশ্ন নং 106ৰ পৰা 120লৈ আটাইতকৈ উপযুক্ত বিকল্প উত্তৰটো বাচি উলিওৱাঁ ।***

**106.** তৃতীয় মানৰ শিক্ষক এগৰাকীয়ে শিকাৰুক নতুন শব্দসম্ভাৰ চিনাকি কৰিবৰ কাৰণে তলত দিয়া কোনটো আটাইতকৈ ফলপ্ৰসূ উপায় ?

(1) শিক্ষকে শব্দবোৰ সংক্ষিপ্ত সংজ্ঞা ডাঙি ধৰা

(2) যিবোৰ পৰিস্থিতিত শব্দবোৰ ব্যৱহৃত হয়, সেইবোৰ ব্যাখ্যা কৰা

(3) ব্লেকবোৰ্ডত শব্দবোৰৰ অৰ্থ লিখি দি শিকাৰুক সেইবোৰ মুখস্থ কৰিবলৈ দিয়া

(4) নতুন শব্দবোৰৰ বিপৰীত অৰ্থসূচক শব্দবোৰ কৈ সিহঁতৰ ভাষাত সেইবোৰৰ অৰ্থ কোৱা

**107.** ভাষা এটা শিকাটো হৈছে —

(1) প্ৰক্ৰিয়া (process)

(2) উৎপাদ (product)

(3) দক্ষতা (skill)

(4) আহৰণ (acquisition)

**108.** *'মই ব্যৱহাৰ কৰা ভাষাটো যাতে শুদ্ধ হয়, সেয়া নিশ্চিত কৰাত মই গুৰুত্ব দিওঁ ।'*

উক্ত উদাহৰণটোৰ লগত ৰজিতা খোৱা কৌশলটো হৈছে —

(1) পুনৰীক্ষণ কৰা

(2) স্ব-নিৰীক্ষণ

(3) অনুবাদকৰণ

(4) মনত ৰখা

**109.** দ্বিতীয় মানৰ ছাত্ৰ-ছাত্ৰীয়ে "এই মোৰ দুই বাহু, দুই ভৰি মোৰ" শিশু পদ্যটো গাইছে আৰু গোৱাৰ লগে লগে পদ্যটোত উল্লেখ থকা ধৰণে অংগ-প্ৰত্যংগ-বোৰ শুদ্ধকৈ স্পৰ্শ কৰি গৈছে এইক্ষেত্ৰত শিক্ষকে কোন পদ্ধতিৰ ব্যৱহাৰ কৰি এনেধৰণে শিকাইছে ?

(1) যোগাযোগমূলক ভাষা শিক্ষণ

(2) সম্পূৰ্ণ শাৰীৰীক সঁহাৰি

(3) সাৰগ্ৰাহী বা বৰ্ণিল

(4) শ্ৰব্যভাষিক

**110.** পঠনৰ ধৰণক পাঠকে কি কৰা উচিত তলত দিয়া স্তম্ভ দুটা মিলাই উত্তৰ কৰাঁ ।

| | পঠনৰ ধৰণ | | পঢ়ুৱৈয়ে |
|---|---|---|---|
| A. | অনুমান কৰণ | i. | লেখকে লেখাৰ ধৰণৰ পৰা লেখক কি অনুভৱ কৰে সেয়া তেঁওলোকে ঠিক কৰি লয় |
| B. | তথ্যভিত্তিক অনুমিতি বা সিদ্ধান্তৰ মনোভাৱ | ii. | অচিনাকি বিধিবোৰ বুজি পাবৰ কাৰণে তেঁওলোকে পাঠটোৰ অংশ কিছুমান ব্যৱহাৰ কৰে |
| C. | প্ৰসংগৰ পৰা অৰ্থৰ উদ্ধাৰ | iii. | গদ্যাংশ এটাৰ শিৰোনাম পঢ়ি তেঁওলোকে তথ্য কিদৰে গঠন কৰা হৈছে সেয়া চায় |
| D. | বিস্তৃত বা পুংখানুপুংখ পঠন | iv. | পাঠ এটাত ভাষাৰ ব্যৱহাৰ কেনেদৰে কৰা হৈছে তেঁওলোক তাত গুৰুত্ব দিয়ে |
| E. | পাঠ চিনাক্তকৰণ | v. | ছবি আৰু শিৰোনাম চাই ভিতৰৰ পাঠত কি আছে সেয়া তেঁওলোকে অনুমান কৰে |

(1) A–i, B–iv, C–v, D–ii, E–iii

(2) A–ii, B–i, C–iii, D–iv, E–v

(3) A–iv, B–iii, C–ii, D–i, E–v

(4) A–v, B–i, C–ii, D–iv, E–iii

**111.** শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক কিছুমান গোটত ভাগ কৰি দিছে । এটা গোটে তেঁওলোকে আগদিনা শিকা পাঠ এটাত পোৱা শব্দ ভাণ্ডাৰৰ পাঁচোটাকৈ প্ৰশ্নোত্তৰ কৰিছে আৰু একেধৰনে আন এটা গোটৰ সৈতে প্ৰশ্নোত্তৰবোৰ সালসলনি কৰিছে । এই কাৰ্যটো তলত দিয়া কোনটোৰ উদাহৰণ ?

(1) ফীড্‌বেক্

(2) গঠন মূল্যায়ন

(3) সহপাঠী মূল্যায়ন

(4) স্ব-মূল্যায়ন

**112.** ''মোৰ শিক্ষকে মোক কেতিয়াবা কাৰ্ড এখন দিয়ে । তেঁও কাৰ্ডখনত শব্দ এটা বা চুটি বাক্য এটা লিখি দি মোক অভিনয় কৰি তাৰ বিষয়ে বুজাবলৈ কয় । তাৰ পাছত আমাৰ শ্ৰেণীৰ বাকীবোৰে মোৰ অভিনয় বা অংগী-ভংগীৰ পৰা সেই শব্দ বা বাক্যটো অনুমান কৰিব লাগে । এই খেলটো মই বৰ ভাল পাঁও ।''

ছাত্ৰগৰাকীৰ এই বাক্যটোৰ পৰা তেঁওৰ শিকন অগ্ৰাধিকাৰটো বাছি উলিওৱাঁ ।

(1) মই শুনা পালে ভাষা ভালকৈ মনত ৰাখিব পাৰোঁ

(2) কাৰ্ড এখন দেখি মুখস্থ কৰিলে মই ভাষা ভালকৈ মনত ৰাখিব পাৰোঁ

(3) মই সক্ৰিয়ভাৱে তথা গতিশীলতৰে জড়িত হ'ব পাৰিলে ভাষা ভালকৈ মনত ৰাখিব পাৰোঁ

(4) মই দেখা পালে ভাষা ভালকৈ মনত ৰাখি পাৰোঁ

**113.** উক্তি (A) : বিদ্যালয়লৈ অহা সকলো শিশুৱেই বয়স অনুযায়ী পটু ভাষা ব্যৱহাৰকাৰী ।

যুক্তি (R) : ভাষা আৰু সংস্কৃতিৰ বৈচিত্ৰ বা বিবিধতাৰ বাবে শিশুবোৰে নিজৰ পটুতা প্ৰদৰ্শন কৰিবলৈ সক্ষম নহয় ।

উদ্ধৃত উক্তি আৰু যুক্তিৰ আধাৰত শুদ্ধ বিকল্পটো বাছি উলিওৱাঁ ।

(1) (A) আৰু (R) দুয়োটাই শুদ্ধ, কিন্তু (R), (A)-ৰ শুদ্ধ ব্যাখ্যা ***নহয়*** ।

(2) (A) শুদ্ধ, (R) অশুদ্ধ ।

(3) (A) অশুদ্ধ, (R) শুদ্ধ ।

(4) (A) আৰু (R) দুয়োটাই শুদ্ধ, আৰু (R) হৈছে (A)-ৰ শুদ্ধ ব্যাখ্যা ।

**114.** পঞ্চম মানৰ ছাত্ৰ মনজিতে নিজৰ শিক্ষক, বন্ধু আৰু দুবছৰীয়া শিশু এটাৰ সৈতে কথা পাতোতে ভিন ভিন ধৰণে ভাষাৰ ব্যৱহাৰ কৰে । অৰ্থাৎ, সামাজিক পৰিস্থিতি অনুসৰি ভাষাৰ ব্যৱহাৰ মনজিতে জানে । মনজিতৰ ভাষা ব্যৱহাৰৰ এই বৈশিষ্ট্যটো হৈছে —

(1) শব্দাৰ্থ অধ্যয়ন বিদ্যা (Semantics)

(2) প্ৰয়োগবাদ বা বাস্তৱবাদ (Pragmatics)

(3) কথন কাৰ্য

(4) স্বাভাৱিকবাদ বা প্ৰকৃতিবাদ (Naturalist)

**115.** এগৰাকী মাকে লক্ষ্য কৰিছে যে তেঁওৰ শিশুটিৰ কেতিয়াও ঘৰৰ ডাঙৰৰ মুখত বা সহোদৰৰ মুখত নশুনা কথা কিছুমান কয় । মাকগৰাকী শিশুটিৰ এই কাৰ্যত বিমোৰত পৰিছে, কাৰণ তেঁও বিশ্বাস কৰি আহিছিল যে শিশুৱে সদায়ে পৰিয়ালৰ মানুহ আৰু নিকট পৰিৱেশৰ অনুকৰণ কৰিহে ভাষা শিকে । মাক গৰাকীৰ এই ধাৰণাটো হৈছে —

(1) আচৰণবাদ

(2) গঠনবাদ

(3) বহুভাষিকতা

(4) দেশীবাদ

**116.** তলত দিয়া কোনধৰণৰ নৈপুণ্য বা দক্ষতা শিশুৱে আনুষ্ঠানিক পঠন নিৰ্দেশ আৰম্ভ কৰাৰ আগতেই বিকশিত হয় আৰু পৰৱৰ্তী বৌদ্ধিক দক্ষতাৰ ভেঁটি নিৰ্মাণ কৰে ?

(1) উদ্গমী পাঠ্যক্ৰম

(2) উদ্গমী গুণ বা ধৰ্ম

(3) উদ্গমী সাক্ষৰতা

(4) উদ্গমী (Emergent) সমাধান

**117.** এগৰাকী আইতাকে সৰু ল'ৰা-ছোৱালীৰ কিতাপৰ পৰা সধু পঢ়ি শুনাই ভাল পায় আৰু এনেদৰে তেঁও শিশুহঁতক কিতাপৰ সৈতে আৰু নতুন চিন্তাৰ সৈতে পৰিচয় কৰোৱায় । ল'ৰা-ছোৱালীবোৰো এই প্ৰক্ৰিয়াটোত খুব সক্ৰিয়ভাৱে জড়িত হৈ পৰে । আইতাকগৰাকীৰ এই কৌশলটো হৈছে —

(1) অংশাদাৰী বা সমিল-মিল পঠন

(2) বচনমূলক পঠন

(3) ডাঙৰকৈ শব্দ কৰি কৰা পঠন

(4) আদৰ্শ পঠন

**118.** পঠন শিকাবৰ কাৰণে বৰ্ণ আৰু ধ্বনিৰ দৰে প্ৰাৰম্ভিক বা মৌলিক বিষয়েৰে আৰম্ভ কৰা এক শিকনৰ অধিগম বা পদ্ধতি (approach) টোক কি বুলি জনা যায়, য'ত শিশুক ধ্বনি লগ লগাই শব্দ গঠন কৰিবলৈ শিকোৱা হয় ?

(1) উৰ্দ্ধমুখী পদ্ধতি

(2) সামগ্ৰিক ভাষা পদ্ধতি

(3) গঠনাত্মক পদ্ধতি

(4) অধোমুখী বা নিম্নগামী পদ্ধতি

**119.** উক্তি (A) : বিশিষ্ট ধ্বনিগত বানানৰ (phonetic spelling) ব্যৱহাৰে শুদ্ধ বানান লিখিবলৈ শিকাৰ ক্ষমতা লেহেমীয়া কৰি তোলে ।

যুক্তি (R) : শিশুৱে পৰম্পৰাগত বানানৰ পৰিৱৰ্তে নিজে 'উদ্ভাৱন' কৰা বানান কৰিলে সিহঁতৰ বানান শুদ্ধকৈ লিখিব পৰাৰ ক্ষমতা লেহেমীয়া নহয় ।

উদ্ধৃত উক্তি আৰু যুক্তিৰ আধাৰত শুদ্ধ বিকল্পটো বাছি উলিওৱাঁ ।

(1) (A) আৰু (R) উভয়ে শুদ্ধ, কিন্তু (R), (A)-ৰ শুদ্ধ ব্যাখ্যা ***নহয়*** ।

(2) (A) শুদ্ধ, (R) অশুদ্ধ ।

(3) (A) অশুদ্ধ, (R) শুদ্ধ ।

(4) (A) আৰু (R) উভয়ে শুদ্ধ, আৰু (R) হৈছে (A)-ৰ শুদ্ধ ব্যাখ্যা ।

**120.** নতুন ভাষা এটা শিকোতে ভাষাটোৰ বৈশিষ্ট্যপূৰ্ণ উচ্চাৰণ-নিয়মৰ কাৰণে বহুতো শিক্ষাৰ্থীয়ে আত্মবিশ্বাসৰ অভাৱ অনুভৱ কৰে । এই অসুবিধা দূৰ কৰাৰ এটা উপায় হৈছে —

(1) শ্ৰেণীকোঠাত মৌখিক যোগাযোগৰ প্ৰয়োজন হোৱা খেল কিছুমান দিব লাগে

(2) পৰামৰ্শদাতা বিশেষজ্ঞৰ সৈতে স্পীচ্ছ থেৰাপীৰ ব্যৱস্থা কৰি অনুশীলন কৰোৱা

(3) ভুল হোৱাৰ লগে লগে সেইবোৰ শুধৰাই দিয়া

(4) শ্ৰেণীকোঠাত ডাঙৰকৈ পঢ়িবলৈ দিয়া

পৰীক্ষাৰ্থীয়ে যদি **ভাষা – II** ৰ বিকল্প **অসমীয়া** লৈছে, তেতিয়াহে নিম্নলিখিত ভাগৰ প্ৰশ্নবোৰৰ উত্তৰ কৰিব ।

# ভাগ V
# ভাষা II
# অসমীয়া

***নির্দেশ :*** *তলত দিয়া ৰচনাখণ্ড পঢ়ি (প্ৰশ্ন নং 121ৰ পৰা 128লৈ) তাৰ তলত দিয়া বৈকল্পিক উত্তৰৰ প্ৰশ্নসমূহৰ আটাইতকৈ উপযুক্ত বিকল্পটো বাছি উলিওঁৱা ।*

জ্ঞান আহৰণ কৰি আমি যদি তাক জমা কৰি ৰাখিব নোৱাৰোঁ, তেন্তে সেই জ্ঞান আমাৰ কোনো কামত নালাগে । আমি খেতি কৰি শস্য চপাই ভঁৰালত জমা কৰি ৰাখোঁ কাৰণেহে গোটেই বছৰ জুৰি আমি ভঁৰালৰ ভাত খাব পাৰোঁ । জমা কৰি ৰখাৰ ব্যৱস্থা নোহোৱা হ'লে শস্যবোৰ অবাবতে নষ্টহে হ'লহেঁতেন । জ্ঞানৰ ক্ষেত্ৰতো সেই একে কথাই খাটে । আমি জ্ঞান আহৰণ কৰাৰ কিছু দিনৰ পিছত বা লগে লগে তাক পাহৰি যোৱা হ'লে উন্নতিৰ সঁজুলি হিচাপে ব্যৱহাৰ কৰিবলৈ আমাৰ হাতত একো অৱশিষ্ট নাথাকিলেহেঁতেন আৰু অমিও বিৱৰ্তনৰ এটা পৰ্যায়ত উপনীত হৈ ইতৰ প্ৰাণীৰ নিচিনাকৈ তাতেই চিৰকাললৈ থমকি ৰৈ গ'লোঁহেঁতেন ।

মানুহৰ মস্তিষ্ক আন সকলো প্ৰাণীৰ মস্তিষ্কতকৈ অনেকগুণে উন্নত আৰু সেই মস্তিষ্কৰ সহায়েৰে আমি বহুত কথা মনত ৰাখিব পাৰোঁ । মানুহৰ মস্তিষ্কৰ মনত ৰখাৰ শক্তি কেনে বিস্ময়কৰ সেই কথা বুজাবলৈ মাত্ৰ এটা কথা ক'লেই যথেষ্ট হ'ব । এজন মানুহ যদি সত্তৰ বছৰ জীয়াই থাকে তেন্তে তেওঁৰ মস্তিষ্কই সেই সময়ছোৱাৰ ভিতৰত ১৫০ কোটি বিভিন্ন তথ্য সঞ্চয় আৰু সংৰক্ষণ কৰিবলৈ সমৰ্থ হয় । অৱশ্যে চেষ্টা বা সাধনাৰ অভাৱত সকলো মানুহেই নিজৰ মস্তিষ্কৰ এই অবিশ্বাস্য স্মৃতি-শক্তিৰ এটা সামান্য অংশৰো সদ্ব্যৱহাৰ কৰিব নোৱাৰে । কিন্তু এই কথা যদি ধৰিও লোৱা হয় যে সকলো মানুহেই নিজৰ স্মৃতি-শক্তিৰ পৰিপূৰ্ণ বিকাশ ঘটাব পাৰে আৰু তাৰ সহায়েৰে অসংখ্য কথা মনত ৰাখিব পাৰে, তেতিয়াহলেও কেৱল মস্তিষ্কৰ স্মৃতি-শক্তিৰ ওপৰত নিৰ্ভৰ কৰি মানুহৰ পক্ষে জ্ঞান-ভাণ্ডাৰ গঢ়ি তোলা সম্ভৱ নহয় ।

কিয় সম্ভৱ নহয় তাৰ কাৰণটো নিহিত হৈ আছে মানুহৰ শৰীৰৰ মাজতে । আমি জানো যে এটা নিৰ্দিষ্ট সময়লৈকে মানুহ তথা সকলো প্ৰাণীৰে শৰীৰৰ বৃদ্ধি ঘটে, কিন্তু পূৰ্ণতা-প্ৰাপ্ত হোৱাৰ পাছত প্ৰকৃতিৰ অমোঘ নিয়ম অনুযায়ী জীৱ-দেহ ক্ষয়-প্ৰাপ্ত হ'বলৈ আৰম্ভ কৰে আৰু এটা সময়ত তাৰ শেষ পৰিণতি ঘটে মৃত্যুৰ মাজত । মস্তিষ্কও শৰীৰৰ এটা অংশ মাত্ৰ । সমস্ত শৰীৰৰ লগতে মস্তিষ্কৰো ক্ৰমাৎ ক্ষয় হ'বলৈ ধৰে আৰু তাৰ ফলত বাৰ্ধক্য আৰম্ভ হোৱাৰ লগে লগে মানুহৰ স্মৃতি-শক্তি হ্ৰাস পাবলৈ আৰম্ভ কৰে । বুঢ়া বয়সত মানুহৰ মস্তিষ্কই কেনেকুৱা ৰূপ লয় সেই কথা বুজিবলৈ এজন ডেকা ল'ৰাৰ গাৰ ছালৰ লগত এজন বুঢ়া মানুহৰ গাৰ ছাল তুলনা কৰি চালেই হয় । বয়স বঢ়াৰ লগে লগে মানুহৰ মস্তিষ্ক শুকাবলৈ ধৰে । শুকাই শুকাই সি সৰু হয়, তাৰ ওজনো ভালেখিনি কমি যায় । মস্তিষ্কৰ উপৰিভাগ চোতাল এখনৰ নিচিনা সমান নহয়; বৰং সি এলানি পৰ্বতৰ নিচিনা খলা-বমা । বুঢ়া বয়সত এই খলা-বমাবোৰ নৈৰ বালিগৰা খহাৰ দৰে খহি ইটোৱে সিটোৰ গাৰ ওপৰত পৰি সমান হ'বলৈ আৰম্ভ কৰে ।

**121.** মানৱ মস্তিষ্কৰ ওপৰৰখিনিৰ গঠন কেনেকুৱা ?

(1) ওখ-চাপৰ, খলা-বমা

(2) বালিচহীয়া

(3) শুষ্ক আৰু কম ওজনৰ

(4) চোতাল এখনৰ দৰে মসৃণ আৰু সমান

**122.** মানুহে কি নকৰাহ'লে বিৱৰ্তনৰ এটা পৰ্যায়ত উপনীত হৈ ইতৰ প্ৰাণীৰ দৰে চিৰকাল তাতে থমকি ৰৈ গ'লহেঁতেন ?

(1) চিকাৰ কৰি সংগ্ৰহ কৰি নৰখাহ'লে

(2) প্ৰজননৰ জৰিয়তে বংশবৃদ্ধি নকৰাহ'লে

(3) আৰ্জিত জ্ঞান সঞ্চয় নকৰাহ'লে

(4) শস্য জমা কৰিব নজনাহ'লে

**123.** ''জমা কৰি ৰখাৰ ব্যৱস্থা নোহোৱাহ'লে শস্যবোৰ অবাবতে নষ্টহে হ'লহেতেঁন ।''

— উদ্ধৃত বাক্যটোৰ কাল নিৰ্ণয় কৰাঁ ।

(1) নিত্য বৰ্তমান

(2) সম্ভাব্য ভূত

(3) স্বৰূপ বৰ্তমান

(4) ভৱিষ্যৎ

**124.** মানুহে নিজৰ স্মৃতিশক্তিৰ সম্পূৰ্ণৰূপে দূৰৰে কথা, এক সামান্য অংশৰো সদ্ব্যৱহাৰ কিয় কৰিব নোৱাৰে ?

(1) সুযোগৰ আৰু পৰিৱেশৰ অভাৱত

(2) মানৱ জীৱন হ্ৰস্ব হোৱাৰ কাৰণে

(3) সকলো নিজৰ স্মৃতিশক্তিৰ বিষয়ে জ্ঞাত নহয় কাৰণে

(4) নিজৰ অধ্যৱসায়ৰ অভাৱত

**125.** 'বৃদ্ধি' শব্দটোৰ বিপৰীতাৰ্থক শব্দটো হৈছে —

(1) হ্ৰাস

(2) পূৰ্ণতা-প্ৰাপ্তি

(3) বৰ্ধন

(4) হ্ৰস্ব

**126.** তিনিকুৰি দহ বছৰ জীয়াই থকা বুলি ধৰি নোৱা মানুহ এজনৰ মস্তিষ্কই কিমান তথ্য সঞ্চয় আৰু সংৰক্ষণ কৰিবলৈ সক্ষম হয় ?

(1) দেৰশ কোটি

(2) পঞ্চাশ কোটি

(3) তিনিকুৰি দহ কোটি

(4) আঢ়ৈশ কোটি

**127.** বয়স বৃদ্ধিৰ লগে লগে মানৱ মস্তিষ্কৰ বিভিন্ন পৰিৱৰ্তন হয় । তলত দিয়া কোনটো এনে পৰিৱৰ্তনৰ অংশ নহয় ?

(1) খলা-বমা হৈ পৰে

(2) উপৰিভাগ সমান হ'বলৈ ধৰে

(3) ওজনত কম হয়

(4) আকাৰ সৰু হৈ পৰে

**128.** উক্তি (A) : মানৱ মস্তিষ্কৰ স্মৃতিশক্তি অবিশ্বাস্য ধৰণে উন্নত ।

যুক্তি (R) : কেৱল মস্তিস্কৰ স্মৃতিশক্তিৰ ওপৰত নিৰ্ভৰ কৰি মানুহৰ পক্ষে জ্ঞান ভাণ্ডাৰ গঢ়ি তোলা সম্ভৱ নহয় ।

উদ্ধৃত উক্তি আৰু যুক্তিৰ আধাৰত শুদ্ধ বিকল্পটো বাছি উলিওৱাঁ ।

(1) (A) আৰু (R) উভয়ে শুদ্ধ, কিন্তু (R), (A)-ৰ সঠিক ব্যাখ্যা ***নহয়*** ।

(2) (A) শুদ্ধ, (R) অশুদ্ধ ।

(3) (A) অশুদ্ধ, (R) শুদ্ধ ।

(4) (A) আৰু (R) উভয়ে শুদ্ধ, আৰু (R) হৈছে (A)-ৰ শুদ্ধ ব্যাখ্যা ।

***নিৰ্দেশ :*** *তলত দিয়া ৰছনাখন্ড পঢ়ি তাৰ তলত দিয়া প্ৰশ্ন সমূহৰ (প্ৰশ্ন নং 129ৰ পৰা 135) আটাইতকৈ উপযুক্ত বিকল্পটো বাছি উলিওৱাঁ ।*

কাৰ্বি আংলং জিলাৰ সদৰ ঠাই ডিফুলৈ যোৰহাটৰপৰা গোলাঘাট হৈয়ো যাব পাৰি, নগাঁও হৈয়ো যাব পাৰি । কিন্তু তুলনামূলকভাৱে যিহেতু গোলাঘাটেদি গ'লে যোৰহাটৰপৰা বেছি ওচৰ, গতিকে মই চমু পথটোকে বাছি গলো । উল্লেখযোগ্য যে মই যিদিনাখন ডিফুলৈ গৈছিলো সেই দিনটো আছিল ২ ছেপ্তেম্বৰ, শুকুৰবাৰ । সেইদিনাখন যোৰহাট নগৰৰপৰা ৰাতিপুৱা ডিফুলৈ যোৱা একমাত্ৰ বাছগাড়ীখনত উঠি মোৰ যাত্ৰা আৰম্ভ কৰিলো । অৱশ্যে এবাৰ নিজৰ গাড়ীখনকে লৈ যাওঁ, নেকি বুলিও মনত ভাবিছিলো । কিন্তু যিহেতু কাৰ্বি আংলং আৰু ডিফুলৈ মই আগতে গৈ পোৱা নাই, তাতে আকৌ পাহাৰ-জংগল কিমানবা পাৰ কৰিবলগীয়া হয় সেই কথাও মোৰ অবিদিত, গতিকে অৱশেষত বাছত যোৱাটোকে ঠিক কৰিছিলো ।

আমি গৈ থকা বাছখনে নিৰ্দিষ্ট এটা গতিবেগত দেৰগাঁও হৈ গৈ প্ৰায় এঘন্টাৰ মূৰত গোলাঘাট পালেহি । গোলাঘাট নগৰৰ বাট-পথবিলাক দেখাত আগতকৈ ছাফা, আহল-বহল আৰু উন্নত হৈছে । হয়তো গড়কাপ্তানি মন্ত্ৰী গোলাঘাট সমষ্টিৰ হোৱা বাবে এই পুৰণা নগৰখনে আজি অত বছৰৰ মুৰত এক নতুন মুখৰ মাত্ৰা লাভ কৰিছে । তেনেকৈ ধনশিৰি দলং পাৰ হৈ ৰঙাজানৰপৰা **৩৯** নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেদি মূৰফুলনিৰ ওচৰৰ নামবৰ হাবিত সোমাওঁতেও ভাব হ'ল যেন এই ৰাষ্ট্ৰীয় অভয়াৰণ্যখনেও আগতকৈ চকুত লগা ধৰণে ইয়াৰ ঘনত্ব, প্ৰাকৃতিক সৌন্দৰ্য, জৈৱবৈচিত্ৰ্য আৰু চিৰসেউজীয়া বৰ্ষাৰণ্যৰ ৰূপ বৃদ্ধি কৰিছে । ইয়াত ৰাষ্ট্ৰীয় অভয়াৰণ্য কাজিৰঙা আৰু দৈয়াং ৰিজাৰ্ভৰপৰা অহা বিভিন্ন পৰিভ্ৰমী চৰাই-চিৰিকটি আৰু জীৱ-জন্তুৰ অহা-যোৱা মন কৰিবলগীয়া । বিশেষকৈ বনগৰুৰ (মেঠোন নহয়) উপস্থিতি নামবৰ হাবিৰ উল্লেখযোগ্য এটা বিশেষত্ব । নামবৰ হাবিৰ মাজতে অসমৰ বিখ্যাত গৰমপানীৰ উহ আছে । গৰমপানী নৈৰ দলংখন পাৰ হৈয়ে আমি উহটোলৈ বুলি আলিৰ সোঁপিনে চকু দিলো । তাৰ পাছত লাহে লাহে আৰু ক্ৰমে ক্ৰমে আলিবাটটো ওখ হৈ গৈ শিলনিজানৰ ওচৰত চেগুন গছৰ এটা ডাঙৰ এলেকা দেখা পালো ।

আমাৰ গাড়ী শিলনিজানত অলপ ৰৈ **৩৯** নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেদি দক্ষিণলৈ অৰ্থাৎ বোকাজান-ডিমাপুৰৰ পিনে গৈ থাকিল । বৰপথাৰ, দেওপানী, বালিপথাৰ আদি পাৰ হৈ সৰিয়হজানেদি পশ্চিমলৈ ঘুৰি এইবাৰ এটা জিলা ঘাইপথেদি গাড়ী ডিফু অভিমুখে যাত্ৰা কৰিলে । সৰিয়হজানৰ তিনিআলিটোত লিখা আছিল, সেই ঠাইৰপৰা ছিমেন্ট কাৰখানা থকা বোকাজানলৈ পাঁচ কিল'মিটাৰ আৰু নগাপাহাৰৰ মূখ্য দুৱাৰ ডিমাপুৰলৈ বিছ কিল'মিটাৰ । ডিফু অভিমুখী আলিবাটটোৰ দীঘে দীঘে আমি প্ৰথমে দেখা পাইছিলো হিদিপী বোলা এটা বৃহৎ এলেকা, য'ত জনবসতি বৰ সেৰেঙা । আলিৰ কাষে কাষে এটা চুবুৰিত এটা বা দুটা জুপুৰি ঘৰ, ক'ৰবাত তিনিটাৰপৰা চাৰিটা । সেউজীয়া ঘন হাবিৰে ভৰা অঞ্চলটোত মাজে মাজে টিলাবোৰৰ ওপৰত একো একোটা আসাম টাইপৰ ঘৰ দেখা পোৱা যায় । তাৰ পাছত আৰু প্ৰায় ৪০ কিল'মিটাৰ যোৱাৰ পাছত ডিল্লাই পালো । সেই ডিল্লাইতে জিলা ঘাইপথটো নগাঁৱৰপৰা ডিমাপুৰলৈ যোৱা **৩৬** নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ লগত মিলিত হৈছে ।

নামবৰ হাবিৰ ওচৰৰপৰা আৰম্ভ হোৱা পূবা-পশ্চিমামুখী পাহাৰটো ডিল্লাইৰ ওচৰৰপৰাই উত্তৰলৈ কিছুদুৰ গৈ আকৌ পশ্চিমলৈ আগবাঢ়িছে । আমি সেই ঠাইৰপৰাই ৰাষ্ট্ৰীয় ঘাইপথটোৰেদি উত্তৰ-পশ্চিম অভিমুখে আগবাঢ়ি মাঞ্জাত উপনীত হ'লো । তাত নগাঁৱৰপৰা ডিমাপুৰলৈ যোৱা **৩৬** নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ লগত ডিফুলৈ যোৱা দক্ষিণ-পশ্চিমমুখী

ৰাজ্যিক ঘাইপথটো মিলিত হৈছে । এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে মাঞ্জা কাৰ্বি আংলং জিলাৰ উজ্জ্বল সম্ভাৱনা থকা এখন উন্নয়নশীল নগৰ । ডিফু, বোকাজান, শিলনিজান, বকলীয়া, তাৰালাংচু, ডবকা, হামৰেন আদিৰ পিছতে হয়তো বৰ্তমান ইয়াৰ স্থান । নগৰখনত বৰ বেছি বহুমহলীয়া অট্টালিকা নাথাকিলেও ইয়াৰ দীঘ-প্ৰস্থ আৰু নিৰ্মীয়মান অট্টালিকাবোৰে লোকদৃষ্টিত ইয়াৰ ভৱিষ্যতৰ সম্ভাৱনা উজ্বলাই তুলিছে । ইয়াত প্ৰাথমিকভাৱে মানুহৰ প্ৰয়োজনীয় সকলো সামগ্ৰীয়েই বৰ্তমান । এই মাঞ্জা নগৰত কিছু সময় ৰোৱাৰ পাছত আমাৰ গাড়ীখন দক্ষিণ-পশ্চিমমুখী ৰাজ্যিক ঘাইপথেদি প্ৰায় ২০ কিল'মিটাৰ গৈ আমাৰ গন্তব্যস্থান ডিফু নগৰত প্ৰৱেশ কৰিলে ।

**129.** অসমৰ বিখ্যাত গৰমপানীৰ উঁহটো ক'ত আছে ?

(1) নামবৰ হাবিৰ মাজত

(2) দৈয়াং ৰিজাৰ্ভৰ মাজত

(3) ধনশিৰি দলঙৰ পাৰত

(4) কাজিৰঙাৰ হাবিৰ মাজত

**130.** কাৰ্বি আংলঙলৈ যাবৰ কাৰণে লেখকে কোনটো পথ বাছি লৈছিল ?

(1) নগাঁও হৈ যোৱা পথটো

(2) ৬২ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটো

(3) গোলাঘাট হৈ যোৱা পথটো

(4) দুৰ্গম, কিন্তু প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা পথটো

**131.** গন্তব্যস্থানত প্ৰৱেশ কৰাৰ আগতে লেখক গৈ থকা গাড়ীখন ক'ত ৰৈছিল ?

(1) ডিফুত

(2) বকলীয়াঘাটত

(3) হামৰেনত

(4) মাঞ্জাত

**132.** হিদিপী অঞ্চলৰ বিষয়ে তলত দিয়া মন্তব্যকেইটাৰ কোনটো অশুদ্ধ ?

(1) এই অঞ্চলটোৰ জনবসতি বৰ সেৰেঙা ।

(2) এই অঞ্চলটো সেউজীয়া ঘন । হাবিৰে ভৰা ।

(3) এই অঞ্চলটোত মাজে মাজে টিলাবোৰৰ ওপৰত একো একোটা আসাম টাইপৰ ঘৰ আছে ।

(4) এই অঞ্চলটোৰ জনবসতি ঘন ।

**133.** ৰছনাখণ্ডত উল্লেখ থকা পাহাৰ-জংঘল, বাটি-পথ আদি শব্দবোৰ কেনেধৰণৰ শব্দত উদাহৰণ ?

(1) যুৰীয়া শব্দ

(2) জতুৱা শব্দ

(3) তদ্ভৱ শব্দ

(4) ধ্বন্যাত্মক শব্দ

**134.** কোন ঠাইৰ পৰা বোকাজানলৈ পাঁচ কিল'মিটাৰ আৰু ডিমাপুৰলৈ বিছ কিল'মিটাৰ বুলি উল্লেখ আছিল ?

(1) ডিল্লাই

(2) ডিফু

(3) সৰিয়হজান

(4) শিলনিজান

**135.** "...জিলা ঘাইপথটো নগাঁৱৰপৰা ডিমাপুৰলৈ যোৱা ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ লগত মিলিত হৈছে ।"

উদ্ধৃত বাক্যটোত পথটো কোন ঠাইত মিলিত হোৱা বুলি উল্লেখ কৰা হৈছে ?

(1) হিদিপী

(2) বোকাজান

(3) ডিল্লাই

(4) শিলনিজান

*নিৰ্দেশ : প্ৰশ্ন নং 136ৰ পৰা 150লৈ আটাইতকৈ উপযুক্ত বিকল্প উত্তৰটো বাচি উলিওৱাঁ ।*

**136.** যি প্ৰসংগত শব্দ এটা ব্যৱহৃত হয় তাৰে পৰা শব্দটোৰ অৰ্থ অনুমান কৰাৰ পঠনৰ ধৰণটো হৈছে —

(1) উৰ্দ্ধগামী পদ্ধতি

(2) সামগ্ৰিক ভাষা পদ্ধতি

(3) গঠনাত্মক পদ্ধতি

(4) যোগাযোগমূলক পদ্ধতি

**137.** ভাষাৰ বিষয়ে চিন্তা কৰা আৰু ক'ব পৰাৰ সামৰ্থটো হৈছে —

(1) সুদক্ষ কথক

(2) উদ্গামী সাক্ষৰতা

(3) ধাতুভাষিক সামৰ্থ

(4) ধ্বনিতাত্ত্বিক সজাগতা

**138.** দ্বিতীয় মানত পঢ়ি থকা শিশু প্ৰতিৰ মাকে শিক্ষকক কৈছে যে শিশুটিয়ে কেতিয়াবা আগতে কেতিয়াও ঘৰৰ ডাঙৰৰ মুখত বা সহোদৰৰ মুখত নুশুনা কথা কিছুমান কৈ দিয়ে । এয়া কেনেকৈ সম্ভৱ হয় ? মাক গৰাকীক শিক্ষক গৰাকীয়ে দিয়া শুদ্ধ উত্তৰটো হ'ব —

(1) মানৱ মস্তিষ্ক ভাষা শিকাৰ উপযোগীকৈ জন্মগতভাবেই সজ্জিত হয়

(2) শিশু এটিৰ ভাষাৰ বিকাশ সবলীকৰণ কৰিলে শিশুটিয়ে ভাষা শিকে

(3) সৈদ্ধান্তিক অভিগম বা পদ্ধতি অনুসৰি, শিশুৱে নতুন ভাষা আৱিষ্কাৰ কৰিব পাৰে

(4) ডাঙৰক অনুকৰণ কৰিয়েই শিশুৱে ভাষা শিকে

**139.** ডাঙৰ এগৰাকীয়ে শিশু এটিৰ সৈতে কিতাপ এখন লৈ একেলগে বহি কিতাপখনৰ পৰা শিশুটিক প্ৰশ্ন কৰিছে আৰু তাৰ পাছত একেটা কাম শিশুটিক কৰিবলৈ দিছে । প্ৰাৰম্ভিক সাক্ষৰতাক উৎসাহী কৰা এই কৌশলটো হৈছে —

(1) অংশীদাৰী তথা ভাগ-বটোৱাৰা পঠন

(2) বচনকেন্দ্ৰিক পঠন

(3) সাধু কথন

(4) আদৰ্শ পঠন

**140.** ভাষাৰ এগৰাকী শিক্ষকে শিকাৰুৰ শ্ৰৱণ দক্ষতা কেনেদৰে বৃদ্ধি কৰিব পাৰে ?

(1) ভাষা শিকাৰ অন্য দক্ষতাবোৰত গুৰুত্ব আৰোপ নকৰি কেৱল শ্ৰৱণ শিকাত গুৰুত্ব দি

(2) বিভিন্ন উৎস আৰু মানুহৰ পৰা ভাষাটো শুনাৰ সুবিধা কৰি দি শ্ৰৱণ কাৰ্য কিছুমানত ছাত্ৰ-ছাত্ৰীৰ জড়িত কৰোবাৰ দ্বাৰা

(3) পৰোক্ষভাৱে বা নিষ্ক্ৰিয়ৰূপে শুনা সকলোবোৰ শুনিবলৈ দি

(4) শ্ৰেণীকোঠাৰ বাহিৰে-ভিতৰে অনবৰতে ছাত্ৰ-ছাত্ৰীৰ সৈতে কথা পাত

**141.** উক্তি (A) : প্ৰাৰম্ভিক পৰ্যায়ত ভাষাৰ সঠিকতা আটাইতকৈ গুৰুত্বপূৰ্ণ ।

যুক্তি (R) : প্ৰাৰম্ভিক পৰ্যায়ৰ পাঠ্যক্ৰমত ব্যাকৰণৰ অন্তৰ্ভুক্তি অপৰিহাৰ্য ।

উদ্ধৃত উক্তি আৰু যুক্তিৰ আধাৰত শুদ্ধ বিকল্পটো বাছি উলিওৱাঁ ।

(1) (A) আৰু (R) দুয়োটাই শুদ্ধ, কিন্তু (R), (A)-ৰ সঠিক ব্যাখ্যা ***নহয়*** ।

(2) (A) শুদ্ধ, (R) অশুদ্ধ ।

(3) (A) অশুদ্ধ, (R) শুদ্ধ ।

(4) (A) আৰু (R) দুয়োটাই শুদ্ধ, আৰু (R) হৈছে (A)-ৰ সঠিক ব্যাখ্যা ।

**142.** ভাষাৰ প্ৰকৃতিৰ বিষয়ে তাত্ত্বিক স্থিতি আৰু বিশ্বাস, ভাষা শিকনৰ প্ৰকৃতি, আৰু এই দুয়োটাৰে শিক্ষা-পদ্ধতিগতভাবে প্ৰয়োগৰ সজ্জাই হৈছে —

(1) বিষয়বস্তু

(2) অভিগম বা পদ্ধতি

(3) কৌশল

(4) পাঠ্যসূচী

**143.** গঠনমূলক পৰীক্ষণ হৈছে —

(1) চলি থকা বিকাশ আৰু উন্নীতকৰণ (উন্নয়ন)-ৰ লগত জড়িত

(2) বিষয় এটাৰ বা বেছি এটাৰ নিৰ্দিষ্ট স্তৰ এটা সম্পন্ন কৰা

(3) পৰিৱৰ্তন সাপেক্ষ নহয়

(4) শিক্ষণ-শিকন প্ৰক্ৰিয়াটো সংঘটিত বোৰ

**144.** কমবয়সীয়া শিকাৰুৰ কাৰনে পাঠ প্ৰস্তুত কৰোতে শিক্ষকে 'সম্পূৰ্ণ শাৰীৰিক সঁহাৰি' পদ্ধতিত গুৰুত্ব দিছে । এইক্ষেত্ৰত শিক্ষকজনে,

(1) ছাত্ৰ-ছাত্ৰীবোৰে নিজৰ স্থানত বহি থাকি যুটীয়াভাবে বা সামূহিকভাবে কৰিব পৰা কাৰ্য কিছুমান ৰাখিব লাগিব ।

(2) শ্ৰেণীকোঠাত শ্ৰৱন কাৰ্য কিছুমান ৰাখিবই লাগিব ।

(3) কাৰ্যবোৰ একাষৰীয়া কৰি থৈ প্ৰশ্ন সোধা উচিত আৰু উত্তৰ দিবলৈ উৎসাহ দিয়া উচিত ।

(4) শ্ৰেণীকোঠাত শাৰীৰিক কাৰ্য কিছুমান অন্তৰ্ভুক্ত কৰাটো নিশ্চিত কৰা উচিত ।

**145.** ''কোনো এটা ভাষাৰ ব্যাকৰণ শিকা হৈছে ভাষাটোৰ নিয়মবোৰ শিকা ।'' তলত দিয়া কোনটো অভিগমে এই উক্তিটো সমৰ্থন কৰে ?

(1) আগম (Inductive)

(2) যোগাযোগমূলক

(3) ব্যাকৰণ-অনুবাদ

(4) নিগম (Deductive)

**146.** এগৰাকী শিক্ষকে পঞ্চমমানৰ ছাত্ৰ-ছাত্ৰীক মুক্ত লিখন কাৰ্য এটা দিব বিচাৰিছে । এই ক্ষেত্ৰত তেঁও কোনটোত গুৰুত্ব দিয়া উচিত ?

(1) বিষয়বস্তুৰ সাৱলীলতা

(2) সাৱলীলতা আৰু সঠিকতা দুয়োটা

(3) ভাল হস্তাক্ষৰ

(4) বিষয়বস্তুৰ সঠিকতা

**147.** অধোমুখী (Top-down) অভিগমৰ অৰ্থ হৈছে 'সামগ্ৰিক অৰ্থ সামৰি লোৱা' । এতিয়া, উৰ্দ্ধমুখী (Bottom-up) অভিগমৰ অৰ্থ হৈছে —

(1) পূৰ্ব-পঠনত গুৰুত্ব দিয়া

(2) পাঠটোৰ শব্দ আৰু বাক্যাংশবোৰত গুৰুত্ব দিয়া

(3) চমু উত্তৰৰ প্ৰশ্ন সোধাত গুৰুত্ব দিয়া

(4) পাঠটোৰ সাৰমৰ্মত গুৰুত্ব দিয়া আৰু ধাৰণৰ আহৰণ কৰাত গুৰুত্ব দিয়া

**148.** তলত উল্লেখ কৰা কোনটো ভাষাৰ শিক্ষক এগৰাকীৰ মুখ্য দ্বায়িত্ব ?

(1) শিক্ষনৰ কাৰণে উপযুক্ত বিষয় নিৰ্বাচন কৰা

(2) বিভিন্ন শ্ৰেণীত শিক্ষাৰ্থীসকলক গোটত বিভক্ত কৰা

(3) শিক্ষাৰ্থীক নিৰ্দেশ দিয়া

(4) শিক্ষাৰ্থীৰ যোগাযোগমূলক প্ৰয়োজনসমূহ চিহ্নিত কৰা

**149.** এটি কণমানি শিশুৱে কিতাপ এখন তুলি লৈ পাত লুটিয়াবলৈ ধৰিছে । এই কাৰ্যটো হৈছে —

(1) উদ্গামী পাঠ্যক্ৰম

(2) উদ্গামী প্ৰকৃতি বা নিহিত গুণ

(3) উদ্গামী সমাধান দক্ষতা

(4) উদীয়মান বা উদ্গামী সাক্ষৰ দক্ষতা

**150.** উক্তি (A) : জন্মগতভাবে বা জিনীয়ভাবে নিৰ্ধাৰিত বাবেই শিকাৰুৱে ভাষা শিকে আৰু পৰিৱেশে এইক্ষেত্ৰত কোনো ভূমিকা পালন নকৰে ।

যুক্তি (R) : শিকাৰুকেন্দ্ৰীক শ্ৰেণীকোঠাৰ পৰিৱেশে ভাষাৰ আহৰণত বিস্তৰ প্ৰভাৱ পেলায় ।

উদ্ধৃত উক্তি আৰু যুক্তিৰ আধাৰত শুদ্ধ বিকল্পটো বাছি উলিওৱাঁ ।

(1) (A) আৰু (R) দুয়োটাই শুদ্ধ, কিন্তু (R), (A)-ৰ শুদ্ধ ব্যাখ্যা ***নহয়*** ।

(2) (A) শুদ্ধ, (R) অশুদ্ধ ।

(3) (A) অশুদ্ধ, (R) শুদ্ধ ।

(4) (A) আৰু (R) দুয়োটাই শুদ্ধ, আৰু (R) হৈছে (A)-ৰ শুদ্ধ ব্যাখ্যা ।

# SPACE FOR ROUGH WORK

# SPACE FOR ROUGH WORK

*তলৰ নিৰ্দেশাৱলীসমূহ মনোযোগেৰে পঢ়াঁ :*

1. পৰীক্ষাত অহা বিভিন্ন প্ৰশ্নৰ উত্তৰসমূহ কিদৰে দিব লাগিব তাৰ বিষয়ে পৰীক্ষা বহীখনত বৰ্ণনা কৰা হৈছে, পৰীক্ষাৰ্থীসকলে প্ৰশ্নৰ উত্তৰ দিয়াৰ আগতে ভালদৰে চাই লয় যেন ।
2. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে । শুদ্ধ উত্তৰটো OMR উত্তৰ প্ৰত্ৰৰ **দ্বিতীয় পিঠিত নীলা/ক'লা বল পে'নেৰ** ঘুৰণীয়াকৈ বোলাই দিয়াঁ । এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিবৰ্তন কৰিব নোৱাৰা ।
3. উত্তৰ পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব । পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন ।
4. পৰীক্ষা বহী আৰু উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা । কাৰণ (পৰীক্ষা বহী আৰু উত্তৰ পত্ৰৰ কোড ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প) দ্বিতীয় পৰীক্ষা বহী দিয়া নহ'ব ।
5. পৰীক্ষা বহী/উত্তৰ পত্ৰত থকা পৰীক্ষা বহী কোড ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবা ।
6. OMR উত্তৰ প্ৰত্ৰত দিয়া কোডযুক্ত তথ্যসমূহ আধৰুৱা নকৰে যেন আৰু প্ৰৱেশ পত্ৰত দিয়া তথ্যৰ লগত পাৰ্থক্য নহয় যেন ।
7. পৰীক্ষাৰ্থীয়ে পৰীক্ষা কোঠাত/হলত প্ৰৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মোবাইল ফোন, বৈদ্যুতিন সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰে ।
8. মোবাইল ফোন, তাঁৰহীন সংযোগ মাধ্যম (বন্ধ অৱস্থাতে হওক) নতুবা অন্য এনে বাধাযুক্ত সামগ্ৰী পৰীক্ষা কোঠাত/হলত অনাটো অনুচিত । এই সুচনাখন পালন নকৰি এনে সামগ্ৰীসমূহ লগত আনিলে তাক পৰীক্ষা সঁক্ৰান্তীয় বাধা হিচাপে ধৰি লৈ পৰীক্ষাৰ্থীৰ ওপৰত উচিত পদক্ষেপ লোৱা হ'ব । পৰীক্ষা বাতিল কৰা যাব ।
9. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব ।
10. কেন্দ্ৰ অধীক্ষক বা নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব ।
11. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ পত্ৰ নিদিয়াকৈ তথা উপস্থিতি পত্ৰত দ্বিতীয়বাৰ স্বাক্ষৰ নকৰাকৈ পৰীক্ষা কোঠা/হল ত্যাগ কৰিব নোৱাৰিব । যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি পত্ৰত স্বাক্ষৰ নকৰে তেনেহলে উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব । **পৰীক্ষাৰ্থীয়ে উপস্থিতি বহীত বাওঁ হাতৰ বুঢ়া আঙুলিৰ চাব লগোৱাটো অনিবাৰ্য ।**
12. বৈদ্যুতিন/হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব ।
13. পৰীক্ষা কোঠাত/হলত পৰীক্ষাৰ্থী পৰীক্ষণ সংস্থাৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব । সকলো অনুচিত কাৰ্যৰ বাবে পৰীক্ষণ সংস্থাৰ সিদ্ধান্তই চূড়ান্ত হ'ব ।
14. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা বহী আৰু উত্তৰ পত্ৰৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব ।
15. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা কোঠা/হল ত্যাগ কৰাৰ পূৰ্বে উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব ।** ***পৰীক্ষাৰ্থীয়ে পৰীক্ষা বহী লগত নিব পাৰে ।***

**READ THE FOLLOWING INSTRUCTIONS CAREFULLY :**

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Blue/Black Ball Point Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
4. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet/Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the Examination Hall/Room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the examination halls/rooms. Failing to comply with this instruction, will be considered as using unfair means in the examination and action will be taken against the candidate including cancellation of examination.
9. Each candidate must show on demand his / her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his / her seat.
11. The candidates should not leave the Examination Hall/Room without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left-hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic/Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Examining Body with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Examining Body.
14. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Room/Hall.** ***The candidates are allowed to take away this Test Booklet with them.***

**निम्नलिखित निर्देशों को ध्यान से पढ़ें :**

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें ।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **नीले/काले बॉल पॉइन्ट पेन** से भरें । एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है ।
3. परीक्षार्थी सुनिश्चित करें कि इस उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ । परीक्षार्थी अपना अनुक्रमांक उत्तर पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें ।
4. परीक्षा पुस्तिका एवं उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर पत्र के कोड या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी ।
5. परीक्षा पुस्तिका/उत्तर पत्र में दिए गए परीक्षा पुस्तिका कोड व संख्या को परीक्षार्थी सही तरीके से उपस्थिति-पत्र में लिखें ।
6. OMR उत्तर पत्र में कोडित जानकारी को एक मशीन पढ़ेगी । इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए ।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश पत्र के सिवाय किसी प्रकार की पाठ्य सामग्री, मुद्रित या हस्तलिखित, काग़ज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है ।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्विच ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए । इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और परीक्षार्थी के विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित ।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें ।
11. कार्यरत निरीक्षक को अपना उत्तर पत्र दिए बिना एवं उपस्थिति-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे । यदि किसी परीक्षार्थी ने दूसरी बार उपस्थिति-पत्र पर हस्ताक्षर नहीं किए तो यह माना जाएगा कि उसने उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा । **परीक्षार्थी अपने बाएँ हाथ के अँगूठे का निशान उपस्थिति-पत्र में दिए गए स्थान पर अवश्य लगाएँ ।**
12. इलेक्ट्रॉनिक/हस्तचालित परिकलक का उपयोग वर्जित है ।
13. परीक्षा-हॉल/कक्ष में आचरण के लिए परीक्षार्थी परीक्षण संस्था के सभी नियमों एवं विनियमों द्वारा नियमित हैं । अनुचित साधनों के सभी मामलों का फैसला परीक्षण संस्था के नियमों एवं विनियमों के अनुसार होगा ।
14. किसी भी परिस्थिति में परीक्षा पुस्तिका और उत्तर पत्र का कोई भाग अलग न करें ।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी कक्ष/हॉल छोड़ने से पूर्व उत्तर पत्र निरीक्षक को अवश्य सौंप दें ।** ***परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं ।***